# NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2025
**Time :** 13–40 Hrs

***Regional Midday Bulletin***
**:::::::::::::::::::::::::::::::::**

১। **প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটকৰ কে এছ আৰ ৰে'ল ষ্টেচনত ৩ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।**

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ভি ভি গিৰিৰ জন্মবাৰ্ষিকী উপলক্ষে নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

৩। 2024-25 বিত্তীয় বৰ্ষত দেশৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদনৰ পৰিমাণ ১ লাখ ৫১ হাজাৰ কোটি টকালৈ বৃদ্ধি হৈছে।

৪। সেনা বাহিনীৰ মুৰব্বী, জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে 'অপাৰেচন সিন্দুৰ'ক কৌশলগত অভিযান বুলি অভিহিত কৰিছে। ***আৰু***

৪। বিশ্বৰ পঞ্চম স্থানৰ ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাইছী কোৱান্টবক্স চেন্নাই গ্ৰেণ্ড মাষ্টাৰ দবা প্ৰতিযোগিতাৰ দ্বিতীয় স্থানত উপনীত হৈছে।

০০০০

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটকৰ কে এছ আৰ ৰে'ল ষ্টেচনত ৩ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। এই ৰে'লগাড়ীকেইখন হল বেংগালুৰু-বেলাগাৱি, মাতা বৈষ্ণোদেৱী কাটৰা –অমৃতচৰ আৰু নাগপুৰ পুণে বন্দে ভাৰত ৰে'লগাড়ী। আজিৰ দিনটোতে প্ৰধানমন্ত্ৰীয়ে বোম্মানাহালিৰ সৈতে ইলেকট্ৰনিক ছিটিক সংযোগ কৰা য়েলো লাইন মেট্ৰ' সেৱা মুকলি কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত দুটা কৰিডৰেৰে সমৃদ্ধ হ'বলগীয়া নাম্মা মেট্ৰ' সেৱাৰ তৃতীয় পৰ্যায়ৰ আধাৰশিলা স্থাপন কৰিব।**

0-000

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ বাবা খৰকসিং মাৰ্গত সাংসদসকলৰ বাবে নিৰ্মাণ কৰা ১৮৪ টা আৱাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে টাইপ**

ছেভেন আৰ্হিৰ আৱাসেৰে কেইবামহলীয়া এই অট্টালিকাটো নতুনকৈ নিৰ্মাণ কৰা হৈছে। ভৱন উদ্বোধনৰ এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কাইলৈ এজোপা সেন্দূৰ গছৰ পুলি ৰোপণ আৰু শ্ৰমজীৱিসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে জনসাধাৰণক সম্বোধন কৰি ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বিবৃতিত জানিবলৈ দিয়া মতে, প্ৰায় ৫ হাজাৰ বৰ্গফুট এলেকাৰে সামৰা নতুনকৈ নিৰ্মাণ কৰা প্ৰতিটো আৱাসত সাংসদসকলৰ বাবে বাসস্থান আৰু চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰিব পৰাকৈ পৰ্যাপ্ত স্থান থাকিব।

এই বৃহৎ আৱাসিক চৌহদটোত কাৰ্যালয়, কৰ্মচাৰীৰ আৱাস আৰু সামুহিক কেন্দ্ৰৰ বাবে নিৰ্ধাৰিত স্থান সুকীয়াকৈ ৰখাৰ পৰিপ্ৰেক্ষিতত সাংসদসকলে  জনপ্ৰতিনিধি হিচাপে নিজৰ দায়িত্ব সুকলমে পালন কৰিব পাৰিব বুলি আশা কৰা হৈছে। বিবৃতিটোত লগতে প্ৰকাশ কৰা মতে, এই চৌহদটোৰ নিৰ্মাণত  আধুনিক গাথনিগত মান অনুসৰি ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। তদুপৰি প্ৰতিগৰাকী আৱাসীৰ নিৰাপত্তা নিশ্চিত কৰিব পৰাকৈ ইয়াত ব্যাপক সুৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ভি ভি গিৰিৰ জন্মবাৰ্ষিকী উপলক্ষে নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। দেশৰ চতুৰ্থগৰাকী ৰাষ্ট্ৰপতি ভি ভি গিৰিৰ জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰপতি ভৱনত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

0000

পাকিস্তানে ভাৰতৰ বিমানৰ বাবে ইয়াৰ আকাশমাৰ্গ বন্ধ কৰি দিয়াৰ পাছত যোৱা ২৪ এপ্ৰিলৰ পৰা ৩০ জুনৰ সময়ছোৱাত ১২৭ কোটি টকাৰ লোকচানৰ সন্মুখীন হৈছে। দেশখনৰ নেচনেল এছেম্বলিত চলিত সপ্তাহত এই তথ্য প্ৰকাশ কৰা হৈছে। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই সন্দৰ্ভত কয় যে এনে লোকচান হোৱা সত্তেও চৰকাৰে ৰাষ্ট্ৰীয় নিৰাপত্তাক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। আকাশমাৰ্গ বন্ধ ৰখা এই ব্যৱস্থা বৰ্তমানেও কাৰ্যকৰী হৈ আছে।

ভাৰতেও অনুৰূপ ধৰণে ইয়াৰ আকাশমাৰ্গ বন্ধ ৰাখি এইবুলি মত প্ৰকাশ কৰিছে যে দেশৰ সাৰ্বভৌমত্ব আৰু নিৰাপত্তাক সুৰক্ষিত কৰাৰ স্বাৰ্থত কোনো পৰিমাণৰ আৰ্থিক মূল্যই অত্যাধিক হব নোৱাৰে। উল্লেখযোগ্য যে যোৱা ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬ জন অসামৰিক লোক নিহত হোৱাৰ পাছত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই আক্ৰমণৰ ফলস্বৰূপে ভাৰতে অপাৰেছন সিন্দূৰ ৰূপায়ণ কৰাৰ লগতে পাকিস্তানৰ সৈতে বাণিজ্যিক আৰু কূটনৈতিক সম্পৰ্কত যতি পেলাইছিল।

0000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সমগ্ৰ ভাৰততে ঘৰে ঘৰে ত্ৰিৰংগা যাত্ৰাত জনসাধাৰণৰ অংশগ্ৰহণৰ শলাগ লৈছে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰীমোডীয়ে কয়, যে এই যাত্ৰাই দেশৰ জনসাধাৰণক একত্ৰিত কৰি গভীৰ দেশপ্ৰেমমূলক মনোভাৱ আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি তেওঁলোকৰ গৌৰৱক প্ৰতিফলিত কৰিছে। তেওঁ লগতে harghartiranga.com পৰ্টেলত ফটো আৰু ছেলফি আপলোড কৰিবলৈকো জনসাধাৰণক আহ্বান জনায়।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু যুৱ কল্যাণ মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি কয় যে দেওবাৰে চাইকেল চলোৱা পদক্ষেপে ‘ফিট ইণ্ডিয়া’ আন্দোলনক দেশৰ এটা বৃহৎ আন্দোলনলৈ ৰূপান্তৰিত কৰাত সহায় কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীত অনুষ্ঠিত হোৱা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই কথা কয়। তেওঁ কয় যে, এতিয়ালৈকে সমগ্ৰ দেশৰ ৫০ হাজাৰৰো অধিক গাঁৱৰ পঞ্চায়ত প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি 'ফিট ইণ্ডিয়া'ৰ বাৰ্তা বিয়পাইছে। ইয়াৰ ফলত গাঁওসমূহক আন্দোলনৰ সৈতে সংযোগ স্থাপন কৰা হৈছে বুলিও শ্ৰী মন্দাভিয়াই প্ৰকাশ কৰে।

০০০০

দেশৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদনৰ পৰিমাণে পূৰ্বৰ অভিলেখ ভংগ কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত এই পৰিমাণ ১ লাখ ৫১ হাজাৰ কোটি টকালৈ বৃদ্ধি হৈছে। এই পৰিমাণ যোৱা বছৰ ১ লাখ ২৭ হাজাৰ কোটি টকাতকৈ ১৮ শতাংশ অধিক। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াক প্ৰতিৰক্ষা উদ্যোগিক আধাৰৰ সবলীকৰণৰ স্পষ্ট সংকেত বুলি অভিহিত কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই সাফল্যৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিৰক্ষা উৎপাদন বিভাগকে ধৰি সংশ্লিষ্ট পক্ষসমূহৰ শলাগ লৈছে।

০০০০০

সেনা বাহিনীৰ মুৰব্বী, জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে 'অপাৰেচন সিন্দুৰ'ক কৌশলগত অভিযান বুলি অভিহিত কৰিছে। এই অভিযানে সামৰিক দক্ষতাৰ সৈতে ৰাজনৈতিক স্বচ্ছতাৰ সংমিশ্ৰণ ঘটাইছিল বুলি তেওঁ মন্তব্য কৰে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, মাদ্ৰাজত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলক সম্বোধন কৰি তেওঁ কয় যে ২২ এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা আক্ৰমণৰ পাছৰ দিনকেইটাত এই অভিযানৰ আঁচনি প্ৰস্তুত কৰি কাৰ্যকৰী কৰা

হৈছিল। এই বিষয়ত তিনিওজন সেনা প্ৰধানক মুকলিমুৰীয়াকৈ কাম কৰাৰ সুবিধা প্ৰদান কৰা হৈছিল বুলিও শ্ৰী দ্বিবেদীয়ে প্ৰকাশ কৰে।

০০০০

নিৰ্বাচন আয়োগে ২০১৯ চনৰে পৰা বিগত ৬ বছৰত কমেও এবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অনিবাৰ্য চৰ্ত পূৰণ কৰাত ব্যৰ্থ হোৱা দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৩৪টা অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ নাম কৰ্তন কৰিছে। আয়োগে, এই দলসমূহৰ কাৰ্যালয়ৰো কোনো সন্ধান নথকা বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, জনপ্ৰতিনিধিত্ব আইনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ নাম নিৰ্বাচন আয়োগত পঞ্জীয়ন কৰা হয়।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াৰ মাজত অহা ১৫ আগষ্টত আলাস্কাত হ'বলগীয়া আলোচনাৰ প্ৰতি ভাৰতে আদৰণি জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে এই বৈঠকে ইউক্ৰেইনৰ বৰ্তমানৰ সংঘৰ্ষৰ অৱসানৰ প্ৰতিশ্ৰুতি আৰু শান্তিৰ সম্ভাৱনা কঢ়িয়াই আনিছে। বিবৃতিটোত লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  বৰ্তমান যুদ্ধৰ সময় নহয় বুলি কোৱাৰ বিষয়ে উল্লেখ কৰা হৈছে। ভাৰতে দুয়োখন দেশৰ মাজত হ'বলগীয়া আলোচনা আৰু শান্তি স্থাপনৰ যিকোনো প্ৰচেষ্টাক সমৰ্থন কৰে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

স্পেচ এক্সৰ মহাকাশ যানে আমেৰিকা, জাপান আৰু ৰাছিয়াৰ চাৰিজন মহাকাশচাৰীক কালি নিৰাপদে পৃথিৱীলৈ ওভতাই অনা বুলি নাছাই প্ৰকাশ কৰিছে। সংস্থাটোৱে জানিবলৈ দিয়া মতে নাছাৰ মহাকাশচাৰী এন্নে মেকক্লেইন আৰু নিকোল আয়াৰ্ছ, জাপানৰ মহাকাশচাৰী টাকুয়া অনিছি আৰু ৰাছিয়াৰ মহাকাশচাৰী কিৰিল পেচকোভে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ (আই এছ এছ)ত প্ৰায় ১৪৮ দিন কটোৱাৰ পাছত কালি পৃথিৱীলৈ উভতি আহে। উল্লেখযোগ্য যে মহাকাশচাৰীৰ চাৰিজনীয়া দলটোৱে যোৱা মাৰ্চ মাহত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত অৱতৰণ কৰি বিজ্ঞানৰ গৱেষণাত ভাগ লৈছিল। নাছাৰ বিষয়াসকলে ব্লগ পোষ্টত লিখা অনুসৰি, মহাকাশচাৰীৰ দলটোৱে আই এছ এছত থকা সময়ছোৱাত মহাকাশত থকাৰ ফলত মহাকাশচাৰীসকলৰ মানসিক তথা শাৰীৰিক পৰিৱৰ্তন, মগজুৰ পৰা হৃদপিণ্ডলৈ তেজৰ চলাচল আদি বিভিন্ন বিষয় লৈ অধ্যয়ন কৰে ।

০০০০০

বিশ্বৰ পঞ্চম স্থানৰ ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাইছী কালি কোৱান্টবক্স চেন্নাই গ্ৰেণ্ড মাষ্টাৰ দবা প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত আমেৰিকাৰ জি এম ৰে ৰ'বচনক পৰাস্ত কৰি দ্বিতীয় স্থানত উপনীত হয়। জাৰ্মানীৰ ভিনচেন্ট কেইমাৰ সম্প্ৰতি প্ৰতিযোগিতাৰ প্ৰথম স্থানত আছে। মাষ্টাৰ্ছ শাখাৰ ৰাউণ্ড ৰবিন পৰ্যায়ৰ আৰু ছটা ৰাউণ্ড বাকী থকা অৱস্থাত এৰিগাইছিয়ে ২ দশমিক ৫ পইন্ট লাভ কৰিছে। প্ৰথম স্থানত থকা কেইমেৰে ক্লাছিকেল দবা শিতানত কাৰ্তিকেয়নৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ পাছত ৩ পইণ্টেৰে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতৰ আন এগৰাকী গ্ৰেণ্ড মাষ্টাৰ্ছ ৱিডিত গুজৰাটীয়ে দেশৰে আন এগৰাকী খেলুৱৈ নিহাল ছৰিনৰ বিৰুদ্ধে জয়েৰে প্ৰতিযোগিতালৈ প্ৰত্যাবৰ্তন কৰিছে।

০০০০০

সমাপ্ত